# অসম আদিত্য

৯ পুহ, ১৯৪৬ শক ■ বুধবাৰ, ২৫ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, December 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী […]




[…]০১২ বৰ্ষৰ ২২ জুলাইৰ মাজনিশা […]জগৃহৰ পৰা সন্ধানহীন হয়। ঘটনা […]ন্দৰ্ভত বৰবৰুৱা আৰক্ষী চকীত […]৬২/১২ নম্বৰত এক গোচৰ পঞ্জীয়ন […]ৰিও আজি পৰ্যন্ত কোনো শুংসূত্ৰ লাভ […]ৰা নাই। পিতৃ বাপু হাজৰিকাই নিজ পুত্ৰ […]আৰু বোৱাৰীয়েক যদি কৰ্মসূত্ৰে বা কিবা […]সুবিধাত পৰি ক'ৰবাত আছে তেন্তে […]ৰিলৈ উভতি আহিবলৈ বা পৰিয়ালৰ […]নতে যোগাযোগ কৰিবলৈ কাতৰ […]নুৰোধ জনাইছে। লগতে কোনো সদাশয় […]ক্তিয়ে যদি দুয়োৰে কিবা সম্ভেদ পাই […]কটৱৰ্তী আৰক্ষী থানা নতুবা […]১৩৫৯৮৫১৭৫ নম্বৰত যোগাযোগ […]ৰিবলৈ অনুৰোধ জনাইছে।



## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ বক্তৃতা প্ৰতিযোগিতা

**ডিব্ৰুগড়, ২৪ ডিচেম্বৰ ঃ** অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত আজি (২১ ডিচেম্বৰ) জয়শ্ৰী মেধি সোঁৱৰণী প্ৰাইজমানি বক্তৃতা প্ৰতিযোগিতাখনি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ আগতে জয়শ্ৰী মেধিৰ সোঁৱৰণত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড° ভাৰতী দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত প্ৰথমে প্ৰয়াত মেধিৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে তেখেতৰ স্বামী, বিশিষ্ট চিকিৎসক ডাঃ ৰমা প্ৰসাদ মেধিয়ে। বন্তি প্ৰজ্বলনৰ সময়ত মংগলাচৰণ কৰে বিজয়লক্ষ্মী শৰ্মা গোস্বামীয়ে। সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডাঃ মেধি আৰু অধ্যাপক ড° কমলেশ্বৰ দত্তই মেধাসম্পন্ন তথা অন্ধবিশ্বাস বিৰোধী প্ৰয়াত মেধি সম্পৰ্কত বক্তব্য আগবঢ়ায়। জয়শ্ৰী মেধিৰ পৰিচয়মূলক ভাষণ প্ৰদান কৰে সমিতিৰ যুটীয়া সম্পাদক অজিত শৰ্মাই। অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰাৰ উদ্দেশ্য আগত ৰাখি লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বক্তৃতা দিয়াৰ অভ্যাস গঢ়াৰ মানসিকতাৰে এনে প্ৰতিযোগিতাৰ আয়োজন কৰা বুলি ড° ভাৰতী দত্তই সদৰী কৰে। জয়শ্ৰী মেধিৰ



সৈতে তেওঁৰ ব্যক্তিগত সান্নিধ্যৰ কথাও শ্ৰদ্ধাৰে স্মৰণ কৰে। বক্তৃতা প্ৰতিযোগিতাখনি উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াই আধুনিক বিজ্ঞান প্ৰযুক্তিৰ যুগত উপনীত হৈয়ো আজিৰ সমাজ অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব নোৱৰাটো দুৰ্ভাগ্যজনক বুলি কয়। যুক্তিসহ কথাবোৰ বিচাৰ-বিবেচনা কৰা উচিত বুলিও তেওঁ কয়। প্ৰতিযোগিতাৰ আৰম্ভণিৰ আঁত ধৰে সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিনা দাসে আৰু প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে ড° উৎপল শৰ্মা, ড° ৰূপজ্যোতি হাজৰিকা আৰু ৰুবাব ফাতেমা নোমানিয়ে আৰু বঁটা বিতৰণৰ আগে আগে বিচাৰকৰ মন্তব্য আগবঢ়ায়। সভাপতি ড° ভাৰতী দত্তই প্ৰেৰণাদায়ক বক্তব্যৰে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে এনেধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে উদ্বুদ্ধ কৰে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে প্ৰশান্তি ডিভাইন ভেলি স্কুলৰ মঞ্জুশ্ৰী গগৈয়ে। দ্বিতীয় স্থান লাভ কৰে ডনবস্কো' স্কুলৰ অজনীল দাসে আৰু তৃতীয় স্থান লাভ কৰে জ্ঞান-বিজ্ঞান একাডেমীৰ প্ৰাংশু দাসে। শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ উপ-সভাপতি ড° ৰঞ্জিত সিংহই। বঁটা বিতৰণী সভাত উপস্থিত থকা দিলজিৎ বৰুৱা আৰু হেমন্ত পেগুৱে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে।

## ৯৭ বছৰ[…] সম্বৰণ লক্ষ[…]

**মৰাণ, ২৪ ডিচেম্বৰ ঃ** ডিব্ৰুগ[…] জিলাৰ অন্তৰ্গত তিতৈ ন[…] নিবাসী ধৰ্মপ্ৰাণা আৰু সৰবৰ[…] মহিলা লক্ষ্মীমায়া ৰায়ৰ আজি নি[…] বাসগৃহত ৯৭ বছৰ বয়সত মৃ[…] হয়। দীৰ্ঘদিন বাৰ্ধক্যজনিত ৰোগ[…] ভুগি থকা বৃহত্তৰ অঞ্চলটো[…] সবাতোকৈ বয়সীয়া[…] আইতাগৰাকীয়ে মৃত্যুৰ সময়[…] অভিযন্তা তথা সমাজকৰ্মী ৰাজে[…] ৰায়কে ধৰি তিনিজন পুত্ৰ-বোৱা[…] তিনিগৰাকী জী-জোঁৱাই, না[…] নাতিনীসহ বহু আত্মীয়-স্বজন[…] ইহসংসাৰত এৰি যায়। বিয়[…] অগণন গুণমুগ্ধৰ উপস্থিতি[…] তিতৈত তেওঁৰ শেষকৃত্য স[…] কৰা হয়। গোৰ্খালি সমাজ[…] সন্মানীয় মহিলাগৰাকীৰ মৃত্[…] ডিব্ৰুগড় বিশ্ববিদ্যাল[…] অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ ৰুদ্ৰ[…] থাপা, 'আপকু'ৰ প্ৰাক্তন সভা[…] জ্যেষ্ঠ সাংবাদিক শোভিত কু[…]